**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINES</u>**

১। ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন।

২। কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙৰ আজি গুৱাহাটীত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে আয়োজিত অৱসৰ পূৰ্বৰ পৰামৰ্শ কৰ্মশালাত অংশগ্ৰহণ।

৩। আজিৰেপৰা গুৱাহাটীত নিটি আয়োগৰ 'বিকশিত অসম, ২০৪৭' শীৰ্ষক দুদিনীয়া কৰ্মশালাৰ আয়োজন।

৪। ৰঙালী বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত ব্যাপক উৎসাহ-উদ্দীপনা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু মুখামুখি।

ooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল পৰ্বৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ১৭২ খন আসনত মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই। ইপিনে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

মৰিগাঁও জিলাত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি জাগীৰোড সমষ্টিৰ ২৮টা আঞ্চলিক পঞ্চায়ত আৰু ৪টা জিলা পৰিষদৰ বাবে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মন্ত্ৰী পীযূষ হাজৰিকাৰ

উপস্থিতিত সমদল উলিয়াই প্ৰাৰ্থীসকলে জাগীৰোড সমজিলাৰ কাৰ্যালয় আৰু মায়ং খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰে।

মানকাচৰ আৰু জৰুৱা বিৰচিং সমষ্টিৰ ৭২টা আঞ্চলিক পঞ্চায়ত আৰু ৮ খন জিলা পৰিষদৰ বাবে বিজেপি আৰু অগপৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। মানকাচৰ সমষ্টিৰ ৪ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে হাটশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এ আই ইউ ডি এফৰ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

বজালী বিধানসভা সমষ্টিত অগপ-বিজেপিৰ উমৈহতীয়া প্ৰাৰ্থীসমূহৰ নাম আজি প্ৰকাশ কৰা হয়। এই প্ৰাৰ্থীসকলে কাইলৈ বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি দলীয় সূত্ৰই জানিবলৈ দিছে।

বৰপেটা জিলাত আজি প্ৰতিকূল বতৰৰ বাবে কোনো কোনো স্থানত মনোনয়ন দাখিল প্ৰক্ৰিয়া ব্যাহত হয়। অৱশ্যে কৈয়াকুছিত বৰষুণৰ মাজতে মনোনয়ন পত্ৰ দাখিলক লৈ বিভিন্ন দলৰ প্ৰাৰ্থী আৰু সমৰ্থকৰ ভিৰ পৰিলক্ষিত হয়।

কাছাৰ জিলাতো মন্ত্ৰী কৌশিক ৰায়, সাংসদ পৰিমল শুক্লবৈদ্যসহ কেইবাজনো জ্যেষ্ঠ নেতাৰ উপস্থিতিত আজি বিজেপিৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ২৫ খন জিলা পৰিষদৰ আসনত অগপ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

শোণিতপুৰ জিলাৰ নদুৱাত বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত বিজেপিৰ প্ৰাৰ্থীসকলে ১১০টা ৱাৰ্ড, ১১টা আঞ্চলিক পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে।

ধেমাজি জিলাতো প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অব্যাহত আছে। ধেমাজিত ১২ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ১০ খনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে দুখন আসনত মিত্ৰদল অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

শিৱসাগৰ জিলাৰ ৰংপুৰ আৰু দিচাংমুখ জিলা পৰিষদৰ বাবে আজি কংগ্ৰেছ দলৰ হৈ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। আনহাতে বিজেপিয়ে জিলাখনৰ ৩টা বিধানসভা এলেকাৰ পৰা দলটোৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত শিৱসাগৰ বিধানসভা এলেকাৰ বাবে ২৭ গৰাকী, ডিমৌৰ বাবে ২৮ গৰাকী আৰু নাজিৰাৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে।

হোজাই জিলাতো লামডিং সমজিলাৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিলৰ বাবে যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

০০০০০০০

কেন্দ্ৰীয় কৰ্মচাৰী, পেন্সন আৰু ৰাজহুৱা অভিযোগ দপ্তৰৰ মন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি গুৱাহাটীত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে আয়োজিত অৱসৰ পূৰ্বৰ পৰামৰ্শ কৰ্মশালা আৰু ভাৰতীয় ষ্টেট বেংকৰ নৰম বেংকাৰ সজাগতা অনুষ্ঠান মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে মত বিনিময় কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ পেন্সন প্ৰক্ৰিয়া সহজ কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে।

তেওঁ লগতে কয়, যে অৱসৰপ্ৰাপ্ত লোকসকলৰ প্ৰতিভাক চিনাক্ত কৰি যথোপোযুক্তভাৱে কামত নিয়োজিত কৰাৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিছে।

0000000

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণীৰ গুৱাহাটী বিভাগে ১২ এপ্ৰিলৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে ১৩ এপ্ৰিল দেওবাৰে ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

ৰাজ্য চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগ আৰু ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ সহযোগত নিটি আয়োগে আজিৰেপৰা গুৱাহাটীত 'বিকশিত অসম, ২০৪৭' শীৰ্ষক দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। ২০৪৭ চনৰ ভিতৰত অসমক এখন বিকশিত ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত নিজৰ পৰামৰ্শ তথা অৰিহণা যোগাবৰ বাবে আগ্ৰহীসকলক এই কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

0000000

অসমবাসী হেঁপাহৰ ৰঙালী বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতে আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বহিঃ ৰাজ্যৰ পৰা অহা গামোচাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ পদক্ষেপ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাত অভিযান চলাই ভালেমান গামোচা জব্দ কৰিবলৈ সক্ষম হয়। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰৰ মহামায়া খেলপথাৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। ওদালগুৰি জিলাৰ জাইখলং মণ্ডল পৰ্যায়ত আজিৰে পৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে। ধেমাজি জিলাৰ

মৰিচল মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু মহিলা কোষৰ উদ্যোগত আজি এদিনীয়া কাৰ্যসূচীৰে ব'হাগী বৈভৱ শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ১৫ টা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত তেওঁলোকে প্ৰস্তুত কৰা পিঠাপনা, জা-জলপান, গামোচাকে ধৰি থলুৱা বস্ত্ৰ সম্ভাৰ বিক্ৰী কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইফালে জিলাখনৰ নলনিপামস্থিত নগৰ মহিলা শিল্প সমবায় সমিতিৰ চৌহদত কালিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে ব'হাগী মেলা অনুষ্ঠিত হৈছে।

গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থিত অমৃত উদ্যানত কালিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। আত্মসহায়ক গোটৰ সদস্যসকলে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন নিৰ্ধাৰিত বজাৰ দিয়াৰ উদ্দেশ্যৰে এই মেলাসমূহৰ আয়োজন কৰা হৈছে।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু নাবাৰ্দৰ সহযোগত আজি ওদালগুৰি জিলাত অসমী ৰুৰেল মাৰ্ট নামৰ এখন বিপনী মুকলি কৰা হয়। জিলা আয়ুক্ত পুলক পাটগীৰিয়ে এই বিপনী মুকলি কৰি ইয়াৰ জৰিয়তে জিলাৰ মহিলাসকলে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰে আত্ম নিৰ্ভৰশীল হ'বলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। জিলাখনৰ বেথেলেহম মণ্ডল পৰ্যায়ৰ জ্যোতিৰেখা আত্মসহায়ক মহিলা গোটে এই বিপনীখন পৰিচালনাৰ দায়িত্ব লাভ কৰিছে।

০০০০০০০

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীৰ্থংকৰ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধৰ্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকে পৱিত্ৰ বুলি গণ্য কৰা হয়।

অসমতো জৈন ধৰ্মাৱলম্বী লোকসকলে ধৰ্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদৰ্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

ডিব্ৰুগড় জৈন সমাজৰ উদ্যোগত আজি নতুন বজাৰস্থিত জৈন মন্দিৰত ভগৱান মহাবীৰৰ জয়ন্তী ধৰ্মীয় পৰম্পৰাৰে পালন কৰা হয়। এই কাৰ্যসূচীত ৰাজ্যৰ শক্তি আৰু দক্ষতা বিকাশ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। তেওঁ সততা আৰু ভাতৃত্ববোধেৰে ভগৱান মহাবীৰ জৈনৰ শান্তিৰ বাৰ্তা অহিংসা আৰু একতাই আমাক এখন সমৃদ্ধিশালী সমাজ গঢ়ি তোলাত সহায় কৰিছে বুলি মতপ্ৰকাশ কৰে। জয়ন্তীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় নগৰৰ মাজেৰে এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

০০০০০০০

কোকৰাঝাৰ জিলাখনৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি দিব্যাংগসকলৰ বাবে সাহায্য সঁজুলী বিতৰণ কৰা হয়। জিলাৰ প্ৰশাসনৰ সহযোগত আয়োজিত কাৰ্যসূচীত মুঠ ৫৫৮ গৰাকী হিতাধিকাৰীৰ মাজত ৬০ খন ট্ৰাই চাইকেল, ১০৮ খন হুইল চেয়াৰ আদি বিতৰণ কৰা হয়।

০০০০০০০

গুজৰাট বিধানসভাৰ অধ্যক্ষ শংকৰ ভাই চৌধুৰীয়ে আজি তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত তেওঁৰ সৈতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বি টি চিৰ দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এম চি এল এ বিজিত গৌৰা নাৰ্জাৰীৰ লগতে ভালেমান ব্যক্তি উপস্থিত থাকে। তেওঁ জিলাখনৰ বগাজুলিত উপস্থিত হোৱাৰ সময়ত বড়ো জনগোষ্ঠীৰ বৈচাগু নৃত্যৰে আদৰণি জনোৱাৰ লগতে পৰম্পৰাগত বিভিন্ন খাদ্য-সামগ্ৰীৰে আপ্যায়ণ কৰা হয়।

০০০০০০০

অসমৰ বাতৰিকাকত প্ৰতিষ্ঠানৰ আটাইতকৈ পুৰণি শ্ৰমিক সংগঠন আছাম ট্ৰিবিউন এম্পলইজ ইউনিয়নৰ ৬৮ সংখ্যক অধিৱেশন আজি অনুষ্ঠিত হয়। আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ চৌহদত অনুষ্ঠিত অধিৱেশনত ৰাজ্যৰ বিশিষ্ট আইনজীৱি শান্তনু বৰঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাম্প্ৰতিক সময়ত সংবাদপত্ৰ আৰু ইয়াৰ কৰ্মীসকলৰ সংকট, শ্ৰম আইন আৰু গণতন্ত্ৰৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰে। ইউনিয়নৰ সভাপতি শিৱ প্ৰসাদ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত প্ৰতিষ্ঠানৰ ভালেমান অৱসৰপ্ৰাপ্ত আৰু বৰ্তমানৰ কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০

গোৱালপাৰা জিলাৰ দুধনৈত আজি বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেট জব্দ কৰা হয়। এটা গোপন সূত্ৰৰ পম খেদি দুধনৈ আৰক্ষীয়ে আজি পুৱাৰ ভাগত দুধনৈ চিলুক সংযোগী পথত অভিযান চলোৱাৰ সময়ত এখন বাহনেৰে কোচবিহাৰৰ পৰা মেঘালয়লৈ লৈ যোৱাৰ অৱস্থাত ৫ লাখ ৩০ হাজাৰ টকা মূল্যৰ নিচাজাতিয় টেবলেটসমূহ জব্দ কৰাৰ লগতে এটা সৰবৰাহকাৰীক কৰায়ত্ব কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

০০০০০০০

বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি ৰাজ্যৰ কেইবাখনো জিলা বজালী, বাক্সা, বৰপেটা, বঙাইগাঁও, চিৰাং, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, কোকৰাঝাৰ, নলবাৰী, কামৰূপ, গোৱালপাৰা আদি জিলাত ধুমুহাৰ লগতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ জাননী জাৰি কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাত আজি অহা প্ৰবল ধুমুহাই জিলাখনৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইয়াৰ লগতে জিলাৰ সদৰ হামৰেঙত অনুষ্ঠিত অসমী মেলা থলীও ধুমুহাই বেয়াকৈ ক্ষতিসাধন কৰে।

বতৰ বিজ্ঞান কেন্দ্ৰৰ আগলি বতৰা অনুসৰি আমাৰ পুৱাৰ আঞ্চলিক বাতৰিত এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰা দিয়া হৈছিল।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, ভাষাতত্ববিদ, লেখক, কবি, সম্পাদক ড০ নগেন ঠাকুৰৰ আজি দেৰগাঁৱৰ নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। ১৯৩৯ চনত ২৯ আগষ্টত জন্মগ্ৰহণ কৰা প্ৰয়াত ঠাকুৰৰ অসমীয়া ভাষা বিষয়ক ১৩ খন গ্ৰন্থ প্ৰণয়ন কৰি উলিওৱাৰ লগতে

পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া ভাষা বিষয়ক গৱেষণামূলক গ্ৰন্থৰে ভাষাটোলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ মিখাইল ছলোকভৰ এণ্ড কুৱাইট ফ্লʼজ দা ডন নামৰ উপন্যাসখনৰ অসমীয়া অনুবাদ **ধীৰে বৈ যায় ডন** এখন বহুপাঠিত গ্ৰন্থ। উল্লেখযোগ্য যে হেমকোষ চতুৰ্দশ সংস্কৰণ প্ৰকাশৰ সৈতেও জড়িত আছিল। ভাষা সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁ ছভিয়েট দেশ নেহৰু বঁটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাৰজত জয়ন্তী ভাষা বঁটা, এনাজৰীৰ জীৱনজোৰা সাধনা বঁটা আদি তেওঁক সন্মান লাভ কৰিছিল।

0000000

তিনিচুকীয়া উকিল সন্থাৰ নতুন সমিতিখন আজি গঠন কৰা হয়। জ্যেষ্ঠ অধিবক্তা প্ৰমোদ কুমাৰ বৰা সভাপতি হিচাপে লৈ এই সমিতিখন গঠন কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উকিল সন্থাৰ নতুন সমিতি গঠনৰ বাবে কালি নিৰ্বাচন সম্পন্ন হৈছিল।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হʼবলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হʼব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হʼব।

0000000

**সমাপ্ত**